**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***
——————————————

জাগীৰোডৰ জোনবিলৰ পাৰত অনুষ্ঠিত ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাৰ আজি সামৰণি পৰিব। মেলাৰ মুখ্য আকৰ্ষণ ঐতিহাসিক বিনিময় প্ৰথাৰ হাটত পাহাৰৰ মামা-মামীসকলে থলুৱাভাৱে উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰী ভৈয়ামৰ লোকসকলৰ অন্যান্য সামগ্ৰীৰ সৈতে আদান-প্ৰদান কৰে। ইয়াৰ পাছতে জোনবিলৰ পাৰত পৰম্পৰাগত কুকুৰা যুঁজ আৰু সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হয়। গোভা ৰজা দীপসিং দেওৰজাই সমূহীয়া মাছ ধৰা পৰ্ব মুকলি কৰে। এই মেলাৰ সৈতে সংগতি ৰাখি তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হৈছে।

তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাত কালি মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীৰ অনুপস্থিতিত ৰাজ্য চৰকাৰৰ প্ৰতিনিধি হিচাপে মন্ত্ৰী পীযুষ হাজৰিকাই তিৱা ৰজাসকলক ৰাজভাট্টা প্ৰদান কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে জনজাতীয় সংৰক্ষিত এলেকাত কোনোধৰণৰ দখল আৰু ঔদ্যোগিক প্ৰতিষ্ঠান স্থাপন কৰা নহয় বুলিও মন্তব্য কৰে।

বাইট (পীযুষ হাজৰিকা)

০০০০০০

ধেমাজি জিলাৰ চিলাপথাৰৰ কাৰেং চাপৰিত অহা ২৬ৰ পৰা ৩০ জানুৱাৰীলৈ দশম মিছিং যুৱ মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱৰ বাবে ৬০০ বিঘা ভূমি সামৰি প্ৰস্তুতি প্ৰায় অন্তিম পৰ্য্যায়ত উপনীত হৈছে। মহোৎসৱৰ অন্তিম দিনাৰ কাৰ্য্যসূচীত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। এই মহোৎসৱত প্ৰায় ১০ হাজাৰ প্ৰতিনিধিয়ে অংশ ল'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০

ডিব্ৰুগড় জিলাত কালি ৬০০ ৰো অধিক লোকে বিজেপিত যোগদান কৰে। এই যোগদান কাৰ্যসূচীত মন্ত্ৰী বিমল বৰাৰ লগতে বিজেপিৰ ডিব্ৰুগড় জিলাৰ সভাপতি দুলাল বৰাও উপস্থিত থাকে। তৃণমূল পৰ্যায়ৰ পৰা দলক অধিক শক্তিশালী কৰাৰ লগতে জনসাধাৰণক সৰলীকৰণৰ দিশে নিষ্ঠাৰে কাম কৰিবলৈ মন্ত্ৰী বিমল বৰাই সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০

মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি ৰাষ্ট্ৰীয় মীন উন্নয়ন বোৰ্ড- এন এফ ডি বিৰ উত্তৰ-পূৰ্বাঞ্চলীয় আঞ্চলিক কেন্দ্ৰ, গুৱাহাটীৰ উদ্যোগত এটা প্ৰশিক্ষণ আৰু সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, মিচিং স্বায়ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য ত্ৰৈলোক্য পামেগাম, মীন বিভাগৰ বিষয়ববীয়াসকলৰ লগতে মাজুলীৰ বিভিন্ন স্থানৰ পৰা অহা মীন পালকসকল উপস্থিত থাকে।

০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডত নতুন দিল্লীত অসমৰ পোৰামাটি শিল্পৰ প্ৰতীকপট প্ৰদৰ্শন কৰা হ'ব। ধুবুৰীৰ আশাৰিকান্দিৰ ভৌগোলিক সূচ্যাংকৰ পৰিচিতি লাভ কৰা এই শিল্প এইবাৰৰ পেৰেডত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব।

গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাতো প্ৰস্তুতি চলি আছে। ইয়াৰ বাবে জিলা সদৰসমূহত কুচকাৱাজৰ অনুশীলন কৰি থকা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা অনাবৰণ কৰিব। ইতিমধ্যে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত ২৪টা দলে কুচকাৱাজৰ অনুশীলন অব্যাহত ৰাখিছে। এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা।

ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পতাকা অনাবৰণ কৰিব। ইয়াৰ বাবে দিনে-নিশাই প্ৰস্তুতি চলাই থকা হৈছে। ডিব্ৰুগড় মহানগৰত গণৰাজ্য দিৱস উপলক্ষে আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। সমাগত গণৰাজ্য দিৱসৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয় ২৬ জানুৱাৰীলৈকে খোলা ৰাখিবলৈ জিলা আয়ুক্তই এখন জাননী জাৰি কৰিছে। তদুপৰি জিলা প্ৰশাসনে ২৫ জানুৱাৰীৰ পুৱা ৮ বজাৰ পৰা ২৭ জানুৱাৰীৰ দিনৰ ১২ বজালৈ ডিব্ৰুগড় পৌৰ নিগম এলেকাৰ ভিতৰত আৰু খনিকৰ চাৰিআলিৰ পৰা ডিব্ৰুগড় চহৰলৈ ডাম্পাৰ, নিৰ্মাণ সামগ্ৰী সৰবৰাহ কৰা যান-বাহন তথা অন্যান্য গধুৰ যান-বাহনৰ চলাচল নিষিদ্ধ কৰিছে।

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি সমাগত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে জাগিভকত গাঁৱত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। ধেমাজিৰ সদৰৰ ঐতিহাসিক কাছাৰী ময়দান প্ৰাঙ্গনত দৈনিক কুচকাৱাজৰ অনুশীলন অব্যাহত আছে। এইবেলি গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৩২টা দলে অংশ লোৱাৰ কথা।

oooooo

**সমাপ্ত**